জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

। ২৪ সংখ্যা, ১১ ভাদ, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 24। DIBRUGARH, THURSDAY, AUGUST 28, 2025 । পৃষ্ঠা ১৬ (Pages 16) । ৯.০০ ট

D.H.S.K. College Estd.-19 Date... Dibrugarh, Ass

### কানৈ মহাবিদ্যালয়ত 'শংকৰদেৱৰ চিন্তাধাৰা আৰু সাম্প্ৰতিক অসমৰ যুৱ সমাজ' শীৰ্ষক বক্তৃতানুষ্ঠান

## 'শিল্প চেতনাই উন্নতিৰ শিখৰত আগুৱাই যোৱাত সহায় কৰে' ঃ ডং হাজৰিকা

জিলাৰ বাতৰি দিওঁতা

ডিব্ৰুগড়, ২৭ আগষ্ট ঃ 'শিল্প চেতনাই মানুহক উন্নতিৰ শিখৰত আগুৱাই যোৱাত সহায় কৰে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), ৰুক্মিণীদেৱী কানৈ ছাত্ৰী নিৱাস আৰু ডিস্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ যৌথ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি অনুষ্ঠিত বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ডঃ গোপাল হাজৰিকাই এইদৰে কয়। 'শংকৰদেৱৰ চিন্তাধাৰা আৰু সাম্প্ৰতিক অসমৰ যুৱ সমাজ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ডঃ হাজৰিকাই কয়— 'শিল্পী হ'বলৈ হ'লে, শিল্পক জীয়াই ৰাখিবলৈ হ'লে সাধাৰণ মানুহৰ হৃদয় চুই যাব লাগিব আৰু মানুহৰ হৃদয় স্পৰ্শ কৰিব পাৰিব লাগিব। তেওঁ কয় যে সাধাৰণ মানুহ সোঁতৰ গতিত উটি যায়, আনহাতে, মহাপুৰুষসকলে সোঁতৰ বিপৰীতে গতি কৰিব পাৰে। সেই সোঁতৰ বিপৰীতে গতি কৰিব পৰা গুণ থকাৰ বাবেই সেইসকলে সাধাৰণ মানুহৰপৰা মহাপুৰুষৰ শাৰীলৈ গতি কৰে। মুখ্য দ্বাৰৰপৰা ছাত্ৰী নিৱাসৰ আৱাসীসকলে আৰতিৰে উষ্ম আদৰণি জনাই নিয়া অনুষ্ঠানটিত ডঃ হাজৰিকাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰি কয়— 'শংকৰদেৱ নিজেই এখন বিশ্ববিদ্যালয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ শদিয়াৰপৰা ধুবুৰীলৈ বহু গায়কৰ সৃষ্টি কৰিলে।' ডঃ হাজৰিকাই তেওঁৰ ভাষণ প্ৰসংগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সকলোকে কেনেদৰে সম দৃষ্টিৰে চাই জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে এখন সুন্দৰ সমাজ গঢ়িবলৈ চেষ্টা কৰিছিল, সেই বিষয়েও ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মৰাজিক ভৱিষ্যতে জীয়াই ৰাখিবলৈ হ'লে যুৱ প্ৰজন্মৰ কি কি কৰণীয় আছে, সেই বিষয়েও বহলভাৱে ব্যাখ্যা কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই ছাত্ৰাৱাস আৰু ছাত্ৰী নিৱাসৰ আৱাসীসকলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি এনেধৰণৰ এটি সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বন্তি প্ৰজ্বলন আৰু ছাত্ৰী সংস্কৃতা শইকীয়াৰ বৰগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব তথা ডিস্বশ্বৰ চলিহা ছাত্ৰাৱাসৰ মুখ্য অধীক্ষক ডঃ জ্যোতিপ্ৰসাদ ফুকন, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক তথা ডিস্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ অধীক্ষক ডঃ বিৰাজ দত্ত উপস্থিত থাকি মননশীল বক্তব্য প্ৰদান কৰে। ছাত্ৰী নীহাৰিকা শইকীয়াই মুখ্য বক্তা ডাঃ গোপাল হাজৰিকাৰ চমু পৰিচয় আগবঢ়োৱা অনুষ্ঠানটিত ছাত্ৰী বিদিশা হাজৰিকাৰ সত্ৰীয়া নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানটিত ৰুক্মিণীদেৱী কানৈ ছাত্ৰীনিৱাস আৰু ডিস্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ ভালেসংখ্যক আৱাসী উপস্থিত থাকে।

